RNI REGN. No. : ASSASS/2019/78693
epaper.asomaditya.com
Portal : www.asomaditya.com
e-mail : asomaditya@gmail.com

# অসম আদিত্য

**স্বাস্থ্য**

ভাত কেৰেলাই হজম শক্তি বৃদ্ধি কৰাত বিশেষ ভূমিকা পালন কৰে। এই পাচলি ডায়েবেটিছৰ সমস্যা হ্ৰাস কৰাতো সহায়ক। ভাত কেৰেলা খালে বহুমূত্ৰ ৰোগীৰ ৰক্ত শৰ্কৰাৰ স্তৰ নিম্নগামী হয়।

শাওণ, ১৯৪৮ শক ■ মঙলবাৰ, ৪ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, August 4, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সংস্কৰণ



ৰাজকীয় অভিষেক প্ৰশান্ত কিশোৰৰ

## সভাপতিৰ সমষ্টিত পৰাজিত বিজেপি

, ৩ আগষ্ট ঃ বাংকীপুৰত কুকুৰ-মেকুৰীক প্ৰাৰ্থিত্ব বিজেপি জিকিব— কিছুদিন পূৰ্বে এইদৰে কৈছিল ৰবিশংকৰ প্ৰসাদে। এই সমষ্টিটোৰ বিধায়ক আছিল পিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন। তেওঁ ইস্তফা দিয়াৰ বাবে খালী হৈছিল বাংকীপুৰৰ বিধায়কৰ আসন। এই সমষ্টিত বিজেপিয়ে ক্ৰমাগতভাৱে ৪০ বছৰ ৰাজত্ব কৰিছিল। কিন্তু ৰাষ্ট্ৰীয় সভাপতিৰ সমষ্টিতে দলটো পৰাভূত হ'ল। আনৰ বাবে নিৰ্বাচনী ৰণনীতি ২ পৃষ্ঠাত



মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰে সাক্ষাৎকাৰ

## এক ঐতিহাসিক-মধুৰ ক্ষণ

■ ড° শশীকান্ত শইকীয়া

২ আগষ্ট, ২০২৬ নিশা প্ৰায় ৮ বজা। এক ঐতিহাসিক তথা মধুৰ ক্ষণ। অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স'তে হোৱা এক চমু সাক্ষাৎকাৰ বোধহয় মানসপটত চিৰদিন সজীৱ হৈ থাকিব। মুখ্যমন্ত্ৰীগৰাকীৰে এইবাৰেই সাক্ষাৎ লাভ কৰা হৈছে তেনে নহয়, জীৱনৰ বিভিন্ন সময়ত অনেকবাৰ সাক্ষাৎ, মত-বিনিময় কৰাৰ সুবিধা লাভ কৰা হৈছে। কিন্তু এইবাৰ সাক্ষাৎকাৰ ব্যতিক্ৰমী আৰু মহান ৬ পৃষ্ঠাত

